**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-04-2026 **Time :** 1340 Hrs.

***Assamese Midday NSD Bulletin***

## *HEADLINES*

১। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ এবছৰ হোৱাৰ উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে নিহত লোকসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

২। ভাৰত আৰু জাৰ্মানীৰ মাজৰ সম্পৰ্ক সময়ৰ লগে লগে ক্ৰমান্বয়ে শক্তিশালী হৈ উঠিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী জেনেৰেল অনিল চৌহানে ব্ৰিটেইনৰ বায়ুসেনা বাহিনীৰ মুৰব্বী ৰিচাৰ্ড নাইটনৰ সৈতে আলোচনাত মিলিত হয়।

৪। কেদাৰনাথ ধামৰ দুৱাৰ আজি পুৰা বৈদিক মন্ত্ৰোচ্চাৰণ আৰু পৰম্পৰাগত ৰীতি-নীতিৰে ভক্ত-দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ এবছৰ হোৱা উপলক্ষে এই আক্ৰমণত নিহত লোকসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয় যে দেশত সন্ত্ৰাসবাদীৰ সকলোধৰণৰ কাৰ্য দৃঢ়তাৰে প্ৰতিহত কৰা হ'ব।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সন্ত্ৰাসবাদীসকলে চলোৱা ভয়ংকৰ আৰু কা-পুৰুষালী আক্ৰমণত নিৰ্দোষী লোকে প্ৰাণ হেৰুওৱাৰ ঘটনা দেশবাসীয়ে মনত ৰাখিছে। তেওঁ কয় যে এই আক্ৰমণত নিহত লোকসকলৰ কথা সদায় মনত ৰখা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশে কোনোধৰণৰ সন্ত্ৰাসবাদী কাৰ্য সহ্য নকৰে আৰু সন্ত্ৰাসবাদীসকলৰ ভয়ংকৰ ভৱিষ্যৎ পৰিকল্পনা কেতিয়াও সফল নহয়। বিগত বৰ্ষৰ আজিৰ দিনটোৰ সন্ত্ৰাসবাদী আক্ৰমণৰ কথা স্মৰণ কৰি শ্ৰীমোদীয়ে এই আক্ৰমণত নিহত হোৱা লোকসকলক সদায় মনত ৰখা হ'ব বুলি উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে এই দুখৰ সময়ত দেশ সংকল্পৰে একবদ্ধ হৈ আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাইও এই ঘটনাত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০০০০০

ভাৰত আৰু জাৰ্মানীৰ মাজৰ সম্পৰ্ক সময়ৰ লগে লগে ক্ৰমান্বয়ে শক্তিশালী হৈ উঠিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। জাৰ্মানীৰ বাৰ্লিনত থকা প্ৰবাসী ভাৰতীয়ক সম্বোধি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত আৰু জাৰ্মানীয়ে কেৱল ৰাজনৈতিক আৰু কৌশলগত সম্পৰ্কই নহয়, শিল্প আৰু সংস্কৃতিৰো বিনিময় কৰে। তেওঁ লগতে কয়, যে এইবছৰ গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি দুয়োখন ৰাষ্ট্ৰৰ মাজৰ আনুষ্ঠানিক সম্পৰ্কই ৭৫ বছৰত ভৰি দিলে। জাৰ্মানী আৰু ইউৰোপত ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক সহযোগী ৰাষ্ট্ৰ আৰু ভাৰতত দেশখনৰ দুহেজাৰতকৈ অধিক কোম্পানীয়ে কাম কৰি আছে। জনসাধাৰণৰ মাজৰ সম্পৰ্কই দেশ দুখনৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে জাৰ্মানীত বাস কৰা ৩ লাখ ৭ হাজাৰ প্ৰবাসী ভাৰতীয়ৰ অৱদানৰ ওপৰত আলোকপাত কৰে।

000000000

প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী জেনেৰেল অনিল চৌহানে তেওঁৰ চৰকাৰী কাৰ্যসূচীৰে ব্ৰিটেইন ভ্ৰমণৰ অংশ হিচাপে দেশখনৰ বায়ুসেনা বাহিনীৰ মুৰব্বী ৰিচাৰ্ড নাইটনৰ সৈতে আলোচনাত মিলিত হয়। বৈঠকত ভাৰত আৰু ব্ৰিটেইনে গোলকীয় বাণিজ্যৰ উত্থান-পতনৰ লগতে বৰ্ধিত চাইবাৰ সুৰক্ষাৰ ভাবুকিৰ ক্ষেত্ৰত অহা প্ৰত্যাহ্বানসমূহ দুয়ো পক্ষই সহযোগিতাৰে মুখামুখি হোৱা তথা ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শান্তি আৰু সমৃদ্ধি তথা নতুন প্ৰযুক্তিৰ পৰিৱৰ্তনসমূহৰ সদ ব্যৱহাৰৰ ওপৰত আলোচনা কৰে। জেনেৰেল চৌহানে বৰ্ধিত গোলকীয় সুৰক্ষাৰ পৰিৱেশ, এই ক্ষেত্ৰত অন্তঃনিহিত ধাৰা আৰু ইয়াৰ কৌশলগত প্ৰভাৱৰ ওপৰত **ৰয়েল কলেজ অৱ ডিফেঞ্চ ষ্টাডিজ**ৰ কামাণ্ডেণ্ট আৰু অধ্যাপকৰ সৈতে মত-বিনিময় কৰে। তেওঁ সংঘাটৰ পৰিৱৰ্তিত প্ৰকৃতি, ভাৰতৰ কৌশলগত প্ৰকৃতি তথা সুস্থিৰ আৰু সুৰক্ষিত বিশ্ব ব্যৱস্থা গঢ় দিয়াৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকাৰ ওপৰত আলোকপাত কৰে। ইয়াৰ পূৰ্বে তেওঁ প্ৰতিৰক্ষাৰ সহযোগিতাত উদগনি জনোৱাৰ উদ্দেশ্যে দেশখনৰ প্ৰতিৰক্ষা উদ্যোগৰ সৈতে জড়িত নেতাসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ প্ৰতিৰক্ষা উৎপাদন, প্ৰযুক্তিৰ হস্তান্তৰ আৰু যোগান শৃংখলাৰ স্থিতিস্থাপকতাৰ ক্ষেত্ৰত মসৃণ সহযোগিতাৰ বাবে বৰ্ধিত অৰ্থনৈতিক সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

000000000

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জৈৱ বৈচিত্ৰ্য ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ জৰিয়তে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে বিশ্ব ধৰিত্ৰী দিৱস পালন কৰি অহা হৈছে। ১৯৬৯ চনত ইউনেস্ক' সন্মিলনত গ্ৰহণ কৰা পৰামৰ্শ অনুসৰি ১৯৭০ চনৰ পৰা আজিৰ দিনটোতে এই দিৱস পালন কৰি অহা হৈছে। এইবেলি বিশ্ব ধৰিত্ৰী দিৱসৰ বিষয়বস্তু হৈছে— আমাৰ শক্তি, আমাৰ গ্ৰহ। নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ কৰি ২০৩০ চনৰ ভিতৰত বিশ্বজুৰি স্বচ্ছ বিদুৎ উৎপাদন তিনিগুণ বৃদ্ধি কৰাৰ বাবে এইবাৰ গুৰুত্ব দিয়া হৈছে। এই দিৱস উদযাপনৰ ৫৬ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজি বিশ্বৰ  ১৯২ দেশৰ জনসাধাৰণে বিভিন্ন কাৰ্যসূচীত অংশ লৈছে। ইয়াৰ অংশ স্বৰূপে গছপুলি ৰোপণ, প্লাষ্টিক বৰ্জন অভিযান, বিদ্যালয়-মহাবিদ্যালয়ত সজাগতা সভা আৰু চাইকেল ৰেলীৰ আয়োজন কৰা হৈছে।

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ সঞ্চালকপ্ৰধান ধীৰাজ এম কাকাৰিয়াই নতুন দিল্লীৰ আকাশবাণী ভৱনত বিষয়া-কৰ্মচাৰীসকলক বিশ্ব ধৰিত্ৰী দিৱসৰ শপত বাক্য পাঠ কৰোৱায়।

00000000

উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাত অৱস্থিত কেদাৰনাথ ধামৰ দুৱাৰ আজি পুৱা বৈদিক মন্ত্ৰোচ্চাৰণ আৰু পৰম্পৰাগত ৰীতি-নীতিৰে ভক্ত-দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হয়। এই অনুষ্ঠানত বিদেশ তথা দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা এটা বিশাল তীৰ্থ যাত্ৰীৰ দল উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে কেদাৰনাথ যাত্ৰা তথা চাৰিধাম যাত্ৰাই দেশৰ আধ্যাত্মিক উদযাপনত বিশ্বাস, একতা আৰু চহকী পৰম্পৰাক প্ৰতিফলিত কৰে। তেওঁ কয় যে এই যাত্ৰাই দেশৰ সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰে। দেশবাসীলৈ লিখা এখন পত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পৱিত্ৰ ভূমি উত্তৰাখণ্ডৰ কেদাৰনাথ ধামৰ দ্বাৰ পৰম্পৰাগত ৰীতি-নীতিৰে সকলো তীৰ্থযাত্ৰীৰ বাবে মুকলি কৰা হয়। তেওঁ কয় যে চাৰিধাম যাত্ৰাৰ প্ৰতিটো ক্ষণতে প্ৰকৃতিৰ পৱিত্ৰতাৰ সৈতে মিলিত হোৱাৰ লগতে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যৰে দেশৰ বাবে আমাক অধিক দায়বদ্ধ কৰি তোলে। পত্ৰখনত প্ৰধানমন্ত্ৰী মোদীয়ে জনসাধাৰণক ৫ টা সংকল্পৰ বাবে আহ্বান জনায়। তেওঁ তীৰ্থস্থানসমূহ তথা ইয়াৰ চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ লগতে নদীসমূহ পৰিষ্কাৰ কৰি ৰখা আৰু এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ ব্যৱহাৰ বৰ্জন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে প্ৰকৃতি আৰু পাৰিপাশ্বিক সংৰক্ষণৰ প্ৰতি অধিক স্পৰ্শকাতৰ হ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ সেৱা, সহযোগিতা আৰু একতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি জনসাধাৰণক থলুৱা সামগ্ৰী ক্ৰয় কৰাৰ বাবে আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে চাৰিধাম যাত্ৰালৈ যোৱা জনসাধাৰণক সকলো নীতি-নিয়ম মানি চলাৰ বাবে আহ্বান জনোৱাৰ লগতে তীৰ্থ যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহনৰ আইন মানি চলাৰ নিশ্চয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

উল্লেখযোগ্য যে চাৰিধামৰ অন্যতম বদ্ৰীনাথ ধামৰ দুৱাৰ কাইলৈ পুৱা দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। ইতিমধ্যে গংগোত্ৰী আৰু যমুনোত্ৰী ধামৰ দুৱাৰ যোৱা দেওবাৰে দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হয়।

0000000

কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰাৰ অভিযোগ তুলি বিজেপিৰ জ্যেষ্ঠ নেতা নিৰ্মলা চিতাৰমণ, কিৰেণ ৰিজিজু, অৰ্জনু ৰাম মেঘৱাল আৰু অৰুণ সিঙে আজি নিৰ্বাচন আয়োগক সাক্ষাৎ কৰে। প্ৰতিনিধি দলটোৱে কংগ্ৰেছৰ সভাপতিগৰাকীৰ বিৰুদ্ধে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্বাচন আয়োগক আহ্বান জনোৱাৰ লগতে দেশবাসীৰ ওচৰত ক্ষমা বিচাৰিবলৈ আহ্বান জনায়।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও শুকুৰবাৰৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ডেলহি কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ  পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকাই প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাত আগবাঢ়ি আছে। ভাৰতীয় মহিলা ক্ৰিকেট দলে ছন্দ ঘূৰাই অনাৰ বাবে সংঘৰ্ষ কৰি আছে। দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত বৰ্তি ৰখাৰ চেষ্টা চলাব। এই শৃংখলাৰ চতুৰ্থখন খেল শনিবাৰে জোহান্সবাৰ্গত আৰু পঞ্চম তথা অন্তিমখন খেল ২৭ এপ্ৰিলত বেন'নিৰ বিলোমুৰ পাৰ্কত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত